# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২১ চনৰ ৫ নৱেম্বৰ তাৰিখত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**তেহেৰিকে জাদিদৰ ৮৭ তম বছৰ চলাকালীন জমাতৰ সদস্য বৃন্দই আগবঢ়োৱা ধন-মাল কোৰবাণী সম্পৰ্কে বৰ্ণনা আৰু ৮৮ তম বছৰৰ নৱাগমন সম্পৰ্কে ঘোষণা**

أَشْهَدُ أَنْ لَا إِلَٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللهِ مِنَ الشَّيْطَانِ الرَّجِيمِ . بِسْمِ اللهِ الرَّحْمَٰنِ الرَّحِيمِ . اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ . الرَّحْمٰنِ الرَّحِيْمِ . مٰلِكِ يَوْمِ الدِّيْنِ . اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ . اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ . صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ .

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আল্লাহ তা'লাই মোমিন সকলৰ যি বৈশিষ্ট বৰ্ণনা কৰিছে,তাৰ মাজত এটা হ'ল এয়া যে সিহঁতে নিজৰ সৎ উপাৰ্জিত ধন-মালৰ পৰা এটা অংশ আল্লাহ তা'লাৰ সন্তুষ্টি অৰ্জনাৰ্থে তাৰ বাটত খৰচ কৰি থাকে। আল্লাহ তা'লা কোৰ-আন কৰিমত এয়া বৰ্ণনা কৰিছে যে মোমিন হ'ল সেইজন যিজনে নিজে উপাৰ্জিত ধন আল্লাহৰ বাটত খৰচ কৰে। আকৌ কৰবাত জাকাত আৰু ছাদকা সম্পৰ্কে ধন কোৰবাণীৰ কথা বৰ্ণনা কৰিছে। এনেদৰে এই ধন-মাল খৰচৰ হিচাপও বিতং ভাৱে বৰ্ণনা কৰিছে। হজৰত মছীহ মাওউদ (আঃ)য়ে আল্লাহ তা'লাৰ তৌহিদ (একত্ববাদ) আৰু আঁ-হজৰত (ছাঃ) আৰু ইছলামৰ পতাকা পৃথিৱী ব্যাপি উৰুৱাবলৈ যি মিচন লৈ ধৰাধামত আগমন কৰিছে সেই মহান কামটো সম্পাদনাৰ্থে জমাতৰ সদস্য বৃন্দই পৃথিৱী ব্যাপি ধনৰ টোপোলা কোৰবাণী কৰাৰ এক আদেশ স্থাপন কৰি গৈ আছে। উক্ত আদৰ্শ অৱলোকন কৰি মানৱ সম্প্ৰদায়ে এটা বিশ্বাসত উপনীত হ'বলৈ লৈছে যে নিশ্চয় হজৰত মছীহ মাওউদ (আঃ)আল্লাহ তা'লাৰ সজ মহাপুৰুষ যাৰ জৰিয়তে শেষ যুগত (কলি যুগত) ইছলামৰ মনোৰম শিক্ষা পৃথিৱীত প্ৰচাৰ হ'বলৈ আছিল। যদি আহমদীয়তৰ বিৰুদ্ধবাদী সকলে নিজৰ অন্তৰৰ হিংসা ত্যাগ কৰি একমাত্ৰ এই নিদৰ্শনটোকেই গমি চায় তেন্তে আহমদীয়তৰ সত্যতাৰ এই নিদৰ্শনেই সিহঁতৰ হৃদয়ক পৱিত্ৰ কৰি দিব পাৰিব। কিন্তু আজিৰ নামধাৰী উলামা সকলৰ অন্তৰ শিলতকৈ টান।

জমাত আহমদীয়া কোনো কৌটিপতি আৰবপতি লোক সকলৰ জমাত নহয়; এই জমাতৰ অধিকাংশ লোক দৰিদ্ৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ লোক, তথাপি এওঁলোকৰ অন্তৰত কোৰবাণীৰ এটা আগ্ৰহ বিৰাজ কৰি আছে।জমাতে নিজৰ সীমিত অৰ্থেৰে যিটো কাম কৰিবলৈ আৰম্ভ কৰে, আল্লাহ তা'লাই তাৰ ওপৰত তাৰ বৰকত ঢালি দিয়ে। জমাত যেতিয়া সংখ্যাধিক্যত উপনীত হৈছে সেই হেতুকে ইয়াত বিভিন্ন চিন্তা ভাৱনাৰ লোক আৰু কম প্ৰশিক্ষণ

প্ৰাপ্ত পুৰণি আহমদী সকলৰ মাজত এনেকুৱা লোক দৃষ্টিগোচৰ হয় যিসকলে এয়া প্ৰশ্ন কৰে যে আমি কিয় আৰু কিহৰ বাবে চান্দা দিব লাগে। এওঁলোকে ঘৰত ল'ৰা-ছোৱালীৰ আগতও এনে ধৰণৰ কথা কৈ থাকে যাৰ ফলত ল'ৰা-ছোৱালী বিলাকৰ মস্তিষ্কতও এনে ধৰণৰ প্ৰশ্ন জাগি উঠিবলৈ লয়। গতিকে এনে পৰিস্থিতিত পদবীদাৰ সকলৰ দায়িত্ব হ'ল তেওঁলোকে  যেন নিজৰ আচৰণ আমলৰ হতুৱাই লোকৰ মনৰ সন্দেহ দূৰ কৰে। লোকক যেন এটা আস্থা দিয়ে; তেওঁলোকে যেন গম পায় যে যি ধন তেওঁলোকে কোৰবাণী কৰিছে সেয়া কামত লাগি আছে।লোকক বুজাব লাগিব যে আল্লাহ তা'লাৰ ওচৰত তেওঁলোকৰ কোৰবাণীৰ কিমান মূল্য আছে। এই কোৰবাণীৰ ফলতেই তেওঁলোকে আল্লাহ তা'লাৰ সন্তুষ্টি অৰ্জন কৰিব পাৰিব। এই কোৰবাণীৰ ধন ইছলাম প্ৰচাৰাৰ্থে খৰচ হৈ থাকে। আমাৰ জমাতৰ নিজাববীয়া টি,ভি চ্যানেলত খৰচ হয়। আনহাতে মোবাল্লিগসকলৰ শিক্ষা আৰু তেওঁলোকৰ জৰিয়তে তবলিগৰ ওপৰত খৰচ হয়। মছজিদ নিৰ্মাণ হৈ আছে,কিতাপ ছপা হৈ আছে, দৰিদ্ৰ ল'ৰা-ছোৱালীৰ শিক্ষা দীক্ষা ভোকাতুৰ সকলক খাদ্য দান, ইত্যাদি ক্ষেত্ৰত এই কোৰবাণীৰ ধন খৰচ হৈ থাকে।

মই এই কথাবোৰ এই কাৰণে কোৱা নাই যে দুৰ্ভাগ্য বশত লোকৰ মাজত বহুতো প্ৰশ্নৰ পাদুৰ্ভাৱ ঘটিছে, বৰং মই এই কাৰণে কৈ আছো যে যিহেতু জমাত দ্ৰুত গতিত বিস্তাৰ লাভ কৰি আছে, সেয়ে এই প্ৰসাৰৰ কাৰণে দুষ্ট চক্ৰই দুষ্টামি আৰু চয়তানী উচটনী দিওঁতা লোকও আহি যাব পাৰে,যিয়ে বিবাদৰ সৃষ্টি আৰু কম তৰবিয়ত প্ৰাপ্ত মগজুত সন্দেহৰ জন্ম দিবলৈ চেষ্টা কৰিব পাৰে। আল্লাহ তা'লাৰ এয়া যথেষ্ট অনুগ্ৰহ যে জমাতৰ লোক সকলে এনেকুৱা দৃঢ় চিন্তা শক্তি ৰাখে যে তেওঁলোকে জানে যে জমাত চলাবলৈ খৰচৰ প্ৰয়োজন আছে; আৰু জানে যে এয়া আল্লাহ তা'লাৰ আদেশ যে তাৰ বাটত খৰচ কৰা।

আল্লাহ তা'লা এই কোৰবাণী সমূহ বিফল নকৰে; এয়া তাৰ প্ৰতিশ্ৰুতি যে সি কোৰবাণী কৰোঁতা সকলক তাৰ পৰাই অনুগ্ৰহৰাজী দান কৰিব আৰু কৰিও আছে। যাৰ পৰা ৰিজিক আহিব আমি তাৰ গমকেই নাপাওঁ। গতিকে আল্লাহ তা'লা তাৰ প্ৰদও প্ৰতিশ্ৰুতি পূৰ্ণ কৰি থাকে আৰু জমাতৰ সদস্য বৃন্দৰ মাজত এনেকুৱা অসংখ্য উদাহৰণ ৰৈ আছে যে নিজৰ হাতত একোকে নথকা সত্ত্বেও যেতিয়া আল্লাহ তা'লাৰ সন্তুষ্টিৰ বাবে খৰচ কৰিছে তেতিয়া কোনো নহয় কোনো উপায়ে তাৰ ব্যৱস্থা কৰি দিছে। এয়া কোনো পুৰণি কলীয়া কাহিনী নহয় বৰং এনেকুৱা ঘটনা যাৰ বিষয়ে লোকে আজি লিখি থাকে। আল্লাহ তা'লা আজিও মোমিন সকলৰ ঈমান মজবুত কৰি আছে আৰু কেৱল কোৰবাণী কৰোঁতা সকলৰ ওপৰতেই কৃপা নকৰে বৰং এই কোৰবাণীৰ জৰিয়তে তেওঁলোকৰ আত্মীয় আৰু কাষতীয়া সকলৰও ঈমান মজবুত কৰি দিয়ে। আজি মই তেনেকুৱাই কিছুমান দৃষ্টান্ত উল্লেখ কৰিম।

ইয়াৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে গিনিকিনাকৰি,কানাডা,দক্ষিণ আফ্ৰিকা,অষ্ট্ৰেলিয়া, কাজাগিস্তান,বৃটেইন,ভাৰত,বৰকিনাফাচো,ছেৰালিউন,গেবিউন,আৰদান,বেলিজ,জজিবাৰ,মৰক্কো,আৰ্জেণ্টিনা,লাইবেৰীয়া, মালি, বেনিন,আদি দেশাবোৰৰ নাৰী পুৰুষ,ল'ৰা,বুঢ়া,ধনী দুখীয়া আদি সকলো শ্ৰেণীৰ আৰু সম্প্ৰদায়ৰ মুখলিচ আহমদী সকলৰ ধন কোৰবাণী সম্পৰ্কে থকা ঈমান উদ্দীপক ঘটনা বৰ্ণনা কৰে। এই সম্পৰ্কে হুজুৰ আনোৱাৰ (আইঃ)য়ে ভাৰতৰ কেৰেলা প্ৰদেশৰ এখন ঠাই জমাত আহমদীয়া কেৰুলাইৰ এজন সম্ভ্ৰান্ত বন্ধুৰ সম্পৰ্কে কয় যে জনাবে তেহেঁৰিকে জাদিদৰ চান্দা আদায় দিয়াত অসাধাৰণ আগ্ৰহ ৰাখি আহিছে, প্ৰত্যেক বছৰেই এক ডাঙৰ অংকৰ ধন আগবঢ়াই আহিছে। এই বছৰ কৰোণাৰ সমস্যা থকা সত্বেও ওঠৰ লাখ টকা তেহেঁৰিকে জাদিদত চান্দা হিচাপে আগবঢ়াইছে। তেখেতে আৰু ডাঙৰ অংকৰ ধন আগবঢ়োৱাৰ আশাবাদী। কয় যে চহকী ব্যক্তি সকলৰ মাজত আল্লাহৰ কৃপাত আহমদী সকলৰ মাজত এনেকুৱা লোক বহুত আছে; যিসকলে কোৰবাণী

কৰিবলৈ আগ্ৰহী, আৰু উপাৰ্জন আয় কেতিয়াও লুকুৱাই নাৰাখে বৰং আল্লাহৰ বাটত খৰচ কৰিবলৈ আগবাঢ়ি আছে।

ইয়াৰ পিছত গিনিকিনাকৰিৰ এখন ৰাজ্য বোকেৰ এখন গাঁৱৰ মিচনাৰীয়ে কৈছে যে এজন মুখলিচ আহমদী বন্ধু জব্ৰিল চাহাব, এখেত এজন অৰ্থদৈন্য লোক; যেতিয়া এখেতক চান্দা আদায় দিয়াৰ ফালে মনত পেলাই দিয়া হৈছিল তেতিয়া তেখেতে কয় যে মই আজিৰ  খৰচৰ বাবে ২০ হাজাৰ ফ্ৰাঙ্ক ৰাখি থৈছো, সেয়া মই চান্দা হিচাপে দি দিলো; ইয়াৰ ওপৰি আজি আৰু মোৰ হাতত একো নাই। কিন্তু দোৱা কৰো যে আল্লাহ তা'লা যেন আমাৰ এই কোৰবাণী কবুল কৰে। জব্ৰিল চাহাবে কয় যে যোৱা তিনি মাহ ধৰি তেখেত এখন কাঠৰ পালেং বিক্ৰি কৰিবলৈ বনাই ৰাখিছিল,কিন্তু কোনো ক্ৰেতায় সেয়া কিনিবলৈ অহা নাছিল। এনেতে চান্দা আদায় দিয়াৰ কিছু সময় পিছতেই এজন ব্যক্তিয়ে সেই পালেংখন কিনিবলৈ আহে আৰু এক মিলিয়ন আৰু পাঁচ লাখ ফ্ৰাঙ্কেৰে পালেংখন কিনি লয়। তেতিয়া জব্ৰিল চাহাবে তৎক্ষণাত আমাৰ মিচনাৰিলৈ ফোন কৰি জনায় যে আল্লাহ তা'লা কেৱল তাৰ কোৰবাণী কবুলেই কৰা নাই বৰং কেইবা গুণ বেছি কৰি তাক ওভতাই দিছে। উক্ত ঘটনাখিনি জব্ৰিল চাহাবে তাৰ বন্ধু সকলকও জনায় যাতে সিহঁতৰ ঈমান অটুট হয়।

বালক এজনে প্ৰদান কৰা কোৰবাণীৰ এক আচৰিত ঘটনা সম্পৰ্কে তানজানিয়াৰ ছুমুয়ে নামক ঠাইৰ এজন মুৱাল্লিমে লিখিছে যে এই জমাতত তিনিজন বালক আছে; যিসকলে চতুৰ্থ শ্ৰেণীত পঢ়ে আৰু নিয়মিত ভাৱে মছজিদত শিক্ষা  আৰু তৰবিয়তি ক্লাচত  উপস্থিত থাকে। তিনিজন বালকেই দৰিদ্ৰ পৰিয়ালৰ সন্তান। পৰিয়ালত স্থায়ী উপাৰ্জনৰ পথ নাই। যোৱা মাহৰ পৰা এওঁলোক তিনিওজনে প্ৰতিযোগীতা আৰম্ভ কৰিছিল আৰু এই প্ৰতিযোগীতা তেহেৰিকে জাদিদৰ চান্দা আদায় দিয়াৰ ক্ষেত্ৰত আৰম্ভ কৰিছিল। প্ৰত্যেকেই পৃথক পৃথক ভাৱে আনি চান্দা আদায় দিছিল আৰু প্ৰত্যেকেই নিজৰ ওচৰত থকা সকলো খিনি ধন আদায় দিছিল। এনেদৰে কোনোবায় পাঁচ শ কোনোবায় চাৰিশ, কোনোবায় সাত শ ছিলিং তেহেৰিকে জাদিদৰ খাতাত জমা কৰিছিল। এবাৰ মই ল'ৰাকেইজনক সুধিছিলো যে তোমালোকে তেহেৰিকে জাদিদৰ এই চান্দাৰ পইচা কৰ পৰা লৈ আনিছা। তাতে এজনে কৈছিল যে মই মোৰ মাকক হাবিত খৰি কাটোতে সহায় কৰো; মাকে জেপ খৰচৰ বাবে যি পইচা দিয়ে তাকেই মই তেহেৰিকে জাদিদৰ চান্দা দিয়াৰ বাবে ৰাখি থওঁ। এনেদৰে মই যেতিয়াৰ পৰা চান্দা আদায় দিয়া আৰম্ভ কৰিছোঁ খৰিৰ গ্ৰাহকও বাঢ়ি গৈ আছে। আৰু আমাৰ কেতিয়াও লোকচান হোৱা নাই। আন এজন ল'ৰাই কয় যে তেওঁ নিজৰ জেপ খৰচৰ পৰা চান্দাৰ পইচা ৰাহি কৰি চান্দা আদায় দিছে। শেষৰ ল'ৰাজনে কয় যে তেওঁৰ ঘৰৰ ওচৰত থকা ফলমূলৰ গছত ফল লাগে; কেতিয়াবা তেওঁ নিজৰ খোৱা ফলৰ পৰা এটা অংশ বিক্ৰি কৰি পোৱা পইচাখিনি তেহেৰিকে জাদিদৰ চান্দা হিচাপে আগবঢ়াইছিল। উক্ত তিনিওজনে এই চান্দাৰ বৰকত বৰ্ণনা কৰি কৈছিল যে কেনেকৈ চান্দাৰ বৰকতত শান্তি উপলব্ধি কৰিছিল। আল্লাহ তা'লা এই ল'ৰা সকলৰ ঈমান আৰু একাগ্ৰহতাত অগ্ৰাধিকাৰ দান কৰক। এয়াই হ'ল ঈমান যাৰ পৰা আমাৰ ল'ৰা-ছোৱালীয়েও তৃপ্তি লাভ কৰে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এয়াই হ'ল সেই জাগৰণ যি লোকৰ মাজত জন্ম লৈ আছে। আল্লাহ তা'লা আমাৰ প্ৰত্যেককে ইছলাম প্ৰচাৰাৰ্থে কোৰবাণী কৰাৰ সৌভাগ্য দান কৰক। আমি যেন নিজৰ পৱিত্ৰ উপাৰ্জনাৰ পৰা কোৰবাণী কৰোঁতা হওঁ। আল্লাহ তা'লাৰ ওচৰত এই কোৰবাণী গৃহীত হওঁক আৰু আল্লাহ তা'লা আমাৰ ওপৰত সন্তুষ্ট হওঁক।

তেহেৰিকে জাদিদৰ ৮৭ তম বছৰৰ শেষত বিশ্ব ব্যাপি জমাত আহমদীয়ায় বছৰ জুৰি এই নিজামত ১৫.৩

মিলিয়ন পাউণ্ড ধন আগবঢ়োৱাৰ তৌফিক লাভ কৰিছে।

এই বছৰত আদায়কৃত ধনৰ সংখ্যা যোৱা বছৰতকৈ আঠ লাখ বিছ হাজাৰ পাউণ্ড বেছি হৈছে। ইয়াৰ লগতে হুজুৰ আনোৱাৰ (আইঃ)য়ে তেহেৰিকে জাদিদৰ ৮৮ তম বছৰৰ আৰম্ভণীৰ ঘোষণা কৰে।

৮৭ তম বছৰটোতে পৃথিৱীৰ জমাতৰ মাজত জাৰ্মানী লক্ষণীয় ভাৱে আগবাঢ়ি আছে। পাকিস্তানৰ বিষয়ে উল্লেখ কৰি ছৈয়দিনা আমিৰুল মোমিনিন (আইঃ)য়ে কয় যে পাকিস্তানৰ অৰ্থনৈতিক অৱস্থা বেয়া, তথাপি তেওঁলোকে কোৰবাণীৰ ক্ষেত্ৰত আগবাঢ়ি গৈ আছে। তেওঁলোকৰ নিমিত্তে দোৱা কৰিব; আল্লাহ তা'লা যেন সিহঁতৰ সমস্যা দূৰ কৰে  আৰু তেওঁলোকে যেন স্বাধীন ভাৱে নিজৰ ইজতিমা,জলছা আদি অনুষ্ঠিত কৰিব পাৰে। আমি যেন মুকলি ভাৱে সিহঁতৰ কোৰবাণী সম্পৰ্কে উল্লেখ কৰিব পাৰো। এতিয়া কিছুমান প্ৰতিবন্ধকতা থকাৰ বাবে পাকিস্তানী আহমদী সকলৰ কোৰবাণী সম্পৰ্কে উল্লেখ কৰিব পৰা নগ'ল। এই বছৰত বিশ্বৰ জমাতৰ ভিতৰত জাৰ্মানীয়ে চান্দা তেহেৰিকে জাদিদত শীৰ্ষস্থান দখল কৰিছে। ইয়াৰ পিছত পৰ্যায়ক্ৰমে আছে,বৃটেইন, আমেৰিকা,কানাডা,ভাৰত,অষ্ট্ৰেলিয়া, ইণ্ডোনেচীয়া,ঘানা আৰু এচিয়াৰ আন এখন দেশও আছে।

অংশ গ্ৰহণত বৃদ্ধি পোৱা আফ্ৰিকা মহাদেশৰ নাইজেৰিয়া ১ নম্বৰত আছে। ইয়াৰ পিছত আছে গাম্বিয়া,ছেনেগাল,ঘানা,তানজানিয়া,গিনিকনাকৰি,মালায়ি,উগাণ্ডা,গিনিবছাও,কঙ্গো,কানছাছা,বৰকিনাফাছো আৰু আছে কাঙ্গোবৰ আজাওৱেল।

অংশ গ্ৰহণত বৃদ্ধিৰ ক্ষেত্ৰত আফ্ৰিকাৰ ওপৰি জাৰ্মানি,বৃটেইন,হলেণ্ড,বাংলাদেশ, মৰিছাচ আদি দেশত যথেষ্ট বৃদ্ধি পাইছে।

সমূহীয়া ভাৱে চান্দা আদায়ৰ ক্ষেত্ৰত ভাৰতৰ প্ৰথম দহখন জমাত হ'ল প্ৰথম কাদিয়ান,কোয়েম্বটোৰ, হায়দৰাবাদ,কেৰুলাই,পাথপ্ৰেম,কলিকতা,বাঙ্গালোৰ,কেৰেং,কালিকট আৰু মালায়ালম।

কোৰবাণী আগবঢ়োৱাৰ ক্ষেত্ৰত ভাৰতৰ প্ৰথম দহখন ৰাজ্য হ'ল কেৰেলা,তামিলনাডু,জম্মু কাশ্মীৰ, কৰ্ণাটক,তেলেঙ্গানা,উৰিষ্যা,পঞ্জাব,পশ্চিমবঙ্গ,দিল্লী আৰু লক্ষ্যদ্বীপ।

হুজুৰ আনোৱাৰ (আইঃ)য়ে সকলো কোৰবাণী কৰোঁতা সকলৰ বাবে দোৱা কৰে যে আল্লাহ তা'লা সকলোৰে ধন-মালত,জান-প্ৰাণত সীমাহীন বৰকত দান কৰক আৰু তেওঁলোকৰ কোৰবাণী কবুল কৰি লওঁক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِيَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَاللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................
..........................................................................................................................
..........................................................................................................................
..........................................................................................................................
..........................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**